REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-10-2023
Time : 1715 Hrs.

**ASSAMESE EVENING BULLETIN**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান মৰ্মে আজি সমগ্ৰ দেশত এক তাৰিখ এক ঘণ্টা শীৰ্ষক চাফাই অভিযান চলোৱা হয়। দেশৰ অন্য প্ৰান্তৰ লগতে অসমৰ ভিন্ন অঞ্চলত চাফাই কাৰ্যসূচী গ্ৰহণ কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এক তাৰিখ এক ঘণ্টা কাৰ্যসূচীৰ অধীনত আজি পুৱা ১০ বজাত গান্ধী মণ্ডপত শ্ৰমদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ সৈতে নগৰ আৰু গৃহ পৰিক্ৰমা মন্ত্ৰী অশোক সিংঘাল আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰকে ধৰি অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰে। শ্ৰমদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ চাফাই কৰ্মীসকলৰ বাবে ৰাজ্য চৰকাৰে ৫০০ কোটি টকা ব্যয়সাপেক্ষে ২হেজাৰ নতুন ঘৰ নিৰ্মাণ কৰাৰ অভিলাষী আঁচনি হাতত লৈছে বুলি উল্লেখ কৰে। চাফাই কৰ্মচাৰীৰ সন্তানে মেট্ৰিকত উত্তীৰ্ণ হ'লে বছৰি ১০ হাজাৰ টকা, উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হ'লে ১৫হাজাৰ টকা, চিকিৎসা, অভিযান্ত্ৰিক আদি বৃত্তিমুখী পাঠ্যক্ৰম পঢ়িলে ৫০ হাজাৰ টকাৰ জলপানি লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয় যে আজি ৰাজ্যৰ ২২হাজাৰ ৪২২ টা স্থানত শ্ৰমদান কাৰ্যসূচী অনুষ্ঠিত হৈছে। আজিৰ এই স্বচ্ছতা কাৰ্যসূচীৰ জৰিয়তে স্বচ্ছ কৰ্মীসকলৰ কিমান কষ্ট, পৰিশ্ৰম হৈছে সেয়া সকলোৱে অনুভৱ কৰিছে বুলি তেওঁ ব্যক্ত কৰে।

আনহাতে, কৃষিমন্ত্ৰী অতুল বৰাই বিষয়া কৰ্মচাৰীসকলৰ সৈতে খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদত এক ঘণ্টা শ্ৰমদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সাংসদ কুইন ওজাই মহানগৰীৰ নলিনীবালা দেৱী উদ্যানত শ্ৰমদান কাৰ্যসূচীত অংশ লয়। একেদৰে, গুৱাহাটী পৌৰ নিগমেও আজি পুৱা ১০ বজাৰ পৰা সমগ্ৰ পৌৰ নিগম এলেকাত সৰ্বমুঠ ১২০ টা কাৰ্যসূচী হাতত লয়।

গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে চহৰখনৰ এ এছ টি চি বাছ আস্থানৰ পৰা চাফাই অভিযানৰ শুভাৰম্ভ কৰে। এই চাফাই কাৰ্যসূচীত অতিৰিক্ত আয়ুক্ত, পৌৰ আয়ুক্ত, আৰক্ষী আৰু চি আৰ পি এফ বাহিনীৰ জোৱানসকলে অংশগ্ৰহণ কৰে।

এক তাৰিখ এক ঘণ্টা শীৰ্ষক অভিযানৰ অধীনত কৰিমগঞ্জ জিলাৰ ভিন্ন স্থানত চাফাই কাৰ্যসূচী ৰূপায়ন কৰা হয়। জিলাখনৰ সকলো চৰকাৰী বে-চৰকাৰী অনুষ্ঠান, শিক্ষানুষ্ঠান আৰু সংগঠনৰ সহযোগত সকলো প্ৰান্তত শ্ৰমদান কাৰ্যসূচী ৰূপায়ন কৰা হয়।

এন ডি আৰ এফৰ প্ৰথম বেটেলিয়ানৰ উদ্যোগত আজি স্বচ্ছতা স্বচ্ছতা সেৱা অংশ হিচাপে আৰু গান্ধী জয়ন্তীৰ প্ৰাক্ মুহূৰ্তত বেটেলিয়ানৰ কমাণ্ডেণ্ট এইছ পি এছ কাণ্ডাৰীৰ নেতৃত্বত চাৰিগৰাকী বিষয়া আৰু ৩৭৫গৰাকী জোৱানে গুৱাহাটীৰ ভিন্ন প্ৰান্তত দিনৰ ১০বজাৰ পৰা ১১ বজালৈ এঘণ্টাৰ স্বচ্ছতা অভিযানত অংশ লয়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ উদ্যোগত আয়োজিত চতুৰ্থ বাৰ্ষিক গোলাপ শইকীয়া আৰু দ্বিতীয় বাৰ্ষিক প্ৰতাপ বৰদলৈ সোঁৱৰণি বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা আজি কেন্দ্ৰটোৰ চৌহদত অনুষ্ঠিত হয়। ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে বহিঃৰাজ্যৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন তিনিটা শাখাত অনুষ্ঠিত হৈছিল। এই অনুষ্ঠানত আকাশবাণীৰ উত্তৰ-পূবৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰ, আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো, সাংবাদিক বেদব্ৰত দেৱমিশ্ৰ, গৌতম শৰ্মা, প্ৰয়াত প্ৰতাপ বৰদলৈৰ সহধৰ্মিণী ৰুমা বৰদলৈ, গোলাপ শইকীয়াৰ সহধৰ্মিণী বন্তি হাজৰিকা আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলো উপস্থিত থাকে। সাংবাদিক দেৱব্ৰত মিশ্ৰই প্ৰয়াত বৰদলৈ আৰু শইকীয়াৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপনৰ লগতে পৰিবেশ, সমাজ আৰু মূল্যবোধৰ পৰিৱৰ্তন আদি গুৰুত্বপূৰ্ণ বিষয় সামৰি বক্তৃতা দিয়ে। আনহাতে সাংবাদিক শ্ৰীশৰ্মাই নিজৰ ভাষণত ৰেডিঅ' বা অনাতাঁৰ মাধ্যমৰ বিশ্বজুৰি গুৰুত্ব আৰু ভূমিকাৰ ওপৰত আলোকপাত কৰাৰ লগতে ৰেডিঅ'ক জনমুখী কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰে। এই অনুষ্ঠানত প্ৰতাপ বৰদলৈৰ সোঁৱৰণত এখন গ্ৰন্থ উন্মোচন কৰাৰ লগতে প্ৰয়াত গোলাপ শইকীয়াৰ জ্যেষ্ঠা ভগ্নী জুনু নেওগ শইকীয়াৰ এখন কাব্যগ্ৰন্থও উন্মোচন কৰা হয়। সংগীতা শৰ্মাই আঁত ধৰা অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিবেশক জুলি শৰ্মা বৰুৱাই হাৱাইন গীটাৰ বাদন কৰাৰ লগতে ভাস্কৰজ্যোতি আচাৰ্য, মনদ্বীপ মহন্তই গীত, জুনু নেওগ শইকীয়া আৰু জিণ্টিৰাণী ডেকাই আবৃত্তি পৰিবেশন কৰে। আকাশবাণী গুৱাহাটীৰ বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মাই অনুষ্ঠানত উপস্থিত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰি পৰৱৰ্তী সময়তো এনে প্ৰচেষ্টা অব্যাহত ৰখা হ'ব বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে, তিনিটা শাখাত আয়োজিত বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ ক-শাখাত গুৱাহাটীৰ হীতাৰ্থ কাশ্যপক প্ৰথম, নগাওঁৰ স্তুতিনন্দা শইকীয়াক দ্বিতীয় আৰু মঙলদৈৰ দৰ্শনা ভৰদ্বাজক তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। খ-শাখাত নগাওঁৰ নিশিগন্ধা বড়োক প্ৰথম, লখিমপুৰৰ লীনা বৰুৱাক দ্বিতীয় আৰু লখিমপুৰৰ পৰিক্ষিত মেধি তথা গুৱাহাটীৰ আমিনগাওঁৰ ৰশ্মিতা হীৰাক যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। একেদৰে গ-শাখাত গুৱাহাটীৰ ভাৰ্গৱী নাথক প্ৰথম, শ্বিলঙৰ নেহুৰ ছাত্ৰী ৰিকি তালুকদাৰক দ্বিতীয় আৰু গুৱাহাটীৰ প্ৰাঞ্জলী ভট্টক তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। গুৱাহাটীৰ মনোৰমা গোস্বামী আৰু লিলি দাসক জ্যেষ্ঠ অংশগ্ৰহণকাৰী হিচাপে বিচাৰকৰ বিশেষ বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত চাৰি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। এই অনুষ্ঠানটো অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ সহযোগত অনুষ্ঠিত হয়।

০০০০